# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 29-05-2024
**Time :** 1845 Hrs

## *Assamese Evening Bulletin*
### *HEADLINES*

- - - - - - - - - - - - - - -

১। ৰীমাল ঘূৰ্ণীবতাহৰ প্ৰভাৱত ৰাজ্যত কেইবাখনো জিলাত স্বাভাৱিক জীৱনযাত্ৰা ব্যাহত। ধুমুহা-বৰষুণ আৰু ভূমিস্খলনৰ ঘটনাত ৰাজ্যত ৬ জন লোকৰ মৃত্যু।

২। ৰীমাল ঘূৰ্ণীবতাহৰ প্ৰভাৱত হোৱা ধাৰাসাৰ বৰষুণৰ ফলত উত্তৰ-পূৰ্বাঞ্চলৰ কেইবাখনো ৰাজ্যত বিস্তৰ ক্ষয়-ক্ষতি। মিজোৰামত ভূমিস্খলনত মৃত্যু হোৱা লোকৰ সংখ্যা ২৮ জনলৈ বৃদ্ধি। মণিপুৰৰ ৰাজধানী চহৰ ইম্ফল প্লাৱিত।

৩। লোকসভা নিৰ্বাচনৰ সপ্তম পৰ্যায়ৰ নিৰ্বাচনী প্ৰচাৰৰ কাইলৈ অন্তিম দিন। ১ জুনত ভোটগ্ৰহণ হ'বলগীয়া দেশৰ ৭খন ৰাজ্য আৰু এখন কেন্দ্ৰীয়শাসিত অঞ্চলৰ ৫৭টা সমষ্টিত শাসক-বিৰোধীৰ প্ৰচাৰ অব্যাহত।

৪। অহা ৪ জুনত দেশৰ অন্যান্য ৰাজ্যৰ লগতে অসমৰ ১৪টা সমষ্টিৰ বাবে হ'বলগীয়া লোকসভা নিৰ্বাচনৰ ভোটগণনাৰ বাবে জিলা প্ৰশাসনৰ প্ৰস্তুতি। বিভিন্ন জিলাত ভোটগণনাৰ কাৰ্যত নিয়োজিত হ'বলগীয়া বিষয়াসকলৰ প্ৰশিক্ষণ সম্পন্ন।

**আৰু**

৫। ভাৰতীয় তাৰকা শ্বাটলাৰ পি ভি সিন্ধুৰ ছিংগাপুৰ অপেন বি ডব্লিউ এফ ছুপাৰ-৭৫০ বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছ শাখাত দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ।

০০০০০

ৰীমাল ঘূৰ্ণী বতাহৰ প্ৰভাৱত হোৱা ধাৰাসাৰ বৰষুণৰ ফলত অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ কেইবাখনো ৰাজ্যত স্বাভাৱিক জীৱন যাত্ৰা ব্যাহত হৈছে। ধুমুহা-বৰষুণ আৰু ভূমিস্খলনৰ ঘটনাত অসমত ছজন, মিজোৰামত ২৮জন আৰু মেঘালয়ত এজন লোকে প্ৰাণ হেৰুৱাইছে। ধাৰাসাৰ বৰষুণৰ সৈতে অহা প্ৰচণ্ড ধুমুহাৰ ফলত ভালেমান অঞ্চলত গছ, বিদ্যুতৰ খুটা উভালি পৰিছে আৰু বিদ্যুৎ তথা ইণ্টাৰনেট সেৱা ব্যাহত হৈ আছে। বৰষুণৰ বাবে ঠাইবিশেষে হোৱা ভূমিস্খলনত বহু লোক ক্ষতিৰ সন্মুখীন হৈছে। আজি **গুৱাহাটীৰ** লালগণেশৰ কৃষ্ণনগৰত ভূমিস্খলনৰ ফলত দুবছৰীয়া শিশু এটিৰ শুই থকা অৱস্থাত মৃত্যু হয়। ইপিনে, বিলাসীপাৰাত আজি প্ৰচণ্ড ধুমুহাত অটো এখন বাগৰি পৰাত এজন শিক্ষাৰ্থীৰ মৃত্যু হোৱাৰ উপৰি তেওঁৰ মাতৃ গুৰুতৰভাৱে আহত হয়।

অসমত কালি ধাৰাসাৰ ধুমুহা-বৰষুণ আৰু ভূমিস্খলনৰ ফলত চাৰিজন লোকে প্ৰাণ হেৰুওৱাৰ উপৰি ১২ গৰাকী শিক্ষাৰ্থীসহ ১৭ জন লোক আহত হয়।

অসম চৰকাৰে শেহতীয়া দুৰ্যোগ প্ৰশমন আৰু ব্যৱস্থাপনাৰ বাবে আজি ১০০ কোটি টকা মুকলি কৰি দিছে। শিৱসাগৰ জিলা আয়ুক্ত কাৰ্যালয়ৰ পৰা আজি মুখ্যমন্ত্ৰীৰ সৈতে ভি ডি অ' কনফাৰেঞ্চত অংশগ্ৰহণ

কৰাৰ পাছত ৰাজ্যৰ ৰাজহ তথা দুৰ্যোগ প্ৰশমন মন্ত্ৰী যোগেন মহনে এই বিষয়ে প্ৰকাশ কৰে। বাৰিষাৰ সময়ছোৱাত ল'বলগীয়া প্ৰয়োজনীয় ব্যৱস্থা সম্পৰ্কে আলোচনাৰ বাবে আয়োজিত এই বৈঠকত বিশেষকৈ সামুদ্ৰিক ধুমুহা ৰীমাল সন্দৰ্ভত আলোচনা কৰা হয়। ৰীমালৰ পৰা হোৱা ক্ষয়-ক্ষতি হ্ৰাস কৰাৰ লগতে ক্ষতিগ্ৰস্তসকলক কিদৰে সহায় কৰিব পাৰি, সেই বিষয়েও বিতংকৈ আলোচনা কৰা হয়। এই বৈঠকত মন্ত্ৰী মহনে সম্ভাব্য বানৰ বাবে সাজু হৈ থাকিবলৈ সংশ্লিষ্ট সকলো বিভাগক নিৰ্দেশ দিয়ে। ইফালে, শিৱসাগৰ জিলাত ব্যক্তিগত নাও আৰু ফেৰী সেৱা চলাচলৰ স্থগিতাদেশ কাইলৈ পৰ্যন্ত বৃদ্ধি কৰা হৈছে। লগতে জিলাখনত ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপ-নৈসমূহত মাছ ধৰা কাৰ্যও কাইলৈ পৰ্যন্ত নিষিদ্ধ কৰা হৈছে।

**মাজুলী** জিলাত কালি পুৱাৰেপৰা হোৱা বতাহ-বৰষুণৰ ফলত মাজুলী বৈদ্যুতিক উপ-সংমণ্ডলৰ অধীনৰ ভালেমান অঞ্চলত বৈদ্যুতিক আন্তঃগাঁথনিৰ বিস্তৰ ক্ষতি হৈছে। কোনো কোনো অঞ্চলত আজিও বিদ্যুৎ সংযোগ বিচ্ছিন্ন হৈ আছে। বিদ্যুৎ বিভাগে জনসাধাৰণক ধুমুহাত ছিগি থকা বিদ্যুতৰ তাঁৰ কোনো কাৰণতে স্পৰ্শ নকৰিবলৈ আৰু এনে তাঁৰ দেখা মাত্ৰেই বিদ্যুৎ কৰ্মীক জনাবলৈ আহ্বান জনাইছে। তদুপৰি জৰুৰীকালীন সহায়ৰ বাবে কেইবাটাও নম্বৰ মুকলি কৰা হৈছে। জিলাখনত চৰকাৰী আৰু বেচৰকাৰী শিক্ষানুষ্ঠান কাইলৈও বন্ধ ঘোষণা কৰা হৈছে।

**গোলাঘাট** আৰু **কাৰ্বি আংলং** জিলাৰ সীমান্তত বৰষুণ আৰু ধুমুহাৰ ফলত বিস্তৰ ক্ষতি হৈছে। নেৰানেপেৰা বৰষুণৰ ফলত গোলাঘাট জিলাৰ ধনশিৰি দৈয়াং, দৈগ্ৰোং আৰু কালিয়নী নৈৰ জলপৃষ্ঠ বৃদ্ধি পোৱাৰ বাবে বহু লোকৰ বাসগৃহ পানীত বুৰ গৈছে। ধনশিৰি নৈৰ বাঢ়নি পানীয়ে কমাৰগাঁও, সোণাৰি চাপৰি আদি অঞ্চল বুৰাই পেলাইছে। অঞ্চলটোত ৰবি শস্যৰ বিভিন্ন খেতি নষ্ট হৈছে বুলি জানিব পৰা গৈছে।

**বজালী** জিলাত প্ৰাকৃতিক দুৰ্যোগৰ বাবে জৰুৰীকালীন নিয়ন্ত্ৰণ কেন্দ্ৰ সক্ৰিয় কৰি তোলা হৈছে। জিলা প্ৰশাসনে দুৰ্যোগৰ সময়ত সহায়ৰ হাত আগবঢ়াবলৈ এই কেন্দ্ৰসমূহ মুকলি কৰিছে। **ডিব্ৰুগড়** জিলাৰ আয়ুক্ত বিক্ৰম কৈৰীয়ে আজি ডিব্ৰুগড় পশ্চিম ৰাজহ চক্ৰৰ অন্তৰ্গত টিংখাং মাটিকটা এলেকাত উপস্থিত হৈ অঞ্চলটোৰ বান আৰু খহনীয়া সমস্যাৰ বুজ লয়। **বৰপেটা** জিলাৰ ভালেমান অঞ্চলত আজি পুৱাৰ ভাগত হোৱা প্ৰচণ্ড ধুমুহা আৰু বৰষুণৰ ফলত বৰপেটা চহৰকে ধৰি বিভিন্ন স্থানত ক্ষতি হয়। গছ উভালি পৰি কেইবাটাও পথেৰে যাতায়াত বন্ধ হৈ পৰে যদিও পথসমূহ মুকলি কৰাৰ ব্যৱস্থা কৰা হৈছে। **নগাঁও** জিলাত ধাৰাসাৰ বৰষুণৰ ফলত ব্ৰহ্মপুত্ৰ, কপিলীকে ধৰি নৈসমূহৰ জলপৃষ্ঠ বৃদ্ধি পাইছে। জিলাখনত ঘূৰ্ণী বতাহৰ প্ৰভাৱত বিভিন্ন অঞ্চলত বিদ্যুৎ যোগান ব্যাহত হোৱাৰ লগতে খোৱাপানীৰ অভাৱ পৰিলক্ষিত হৈছে। এই উদ্দেশ্যে নগাঁও জনস্বাস্থ্য কাৰিকৰী বিভাগ আৰু নগাঁও পৌৰসভা আজি খোৱাপানী যোগান ধৰে। নগাঁও অতিৰিক্ত জিলা আয়ুক্তই বানৰ সময়ত সাৱধানতা ল'বৰ বাবে এখন জাননীযোগে কেইবাটাও পৰামৰ্শ আগবঢ়াইছে। সেই অনুসৰি বানৰ সময়ত নৈ বা বোঁৱতি সুঁতি সাঁতুৰি পাৰ হ'বলৈ বাধা দিয়াৰ লগতে বানৰ কবলত পৰা জলাশয়ত মাছ ধৰিবলৈ বিৰত থকাৰ পৰামৰ্শ দিছে। বানত বুৰি থকা বৈদ্যুতিক ট্ৰেন্সফৰ্মাৰ, খুঁটা নোচোৱাকৈ থাকিবলৈ আহ্বান জনাইছে। আনহাতে, যিকোনো জৰুৰীকালীন খবৰ বা সহায়ৰ বাবে জিলা প্ৰশাসনে এটা টোল ফ্ৰী নম্বৰ ১০৭৭ত যোগাযোগ কৰিবলৈ অনুৰোধ জনাইছে।

ইফালে, **বৰাক** উপত্যকাত ধাৰাসাৰ বৰষুণৰ ফলত বৰাক আৰু কুশিয়াৰা নৈৰ জলপৃষ্ঠ বৃদ্ধি পোৱাৰ ফলত বহু অঞ্চল প্লাৱিত হৈছে। বতৰ বিজ্ঞান কেন্দ্ৰ আগজাননী মতে **শিলচৰৰ** অন্নপূৰ্ণা ঘাটত আজি বৰাক নৈৰ জলপৃষ্ঠই বিপদ সীমা অতিক্ৰম কৰিছে। ইফালে, ৰাজ্যৰ কেইবাখনো জিলাত প্ৰশাসনে ৰেড এলাৰ্ট ঘোষণা কৰাৰ লগতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি **নগাঁও, হোজাই, কাৰ্বি আংলং, গোলাঘাট, ডিমাহাচাও,**

**কাছাৰ, হাইলাকান্দি** আৰু **কৰিমগঞ্জত** শিক্ষানুষ্ঠানসমূহ বন্ধ ৰাখিবলৈ নিৰ্দেশ দিছে। ভূমিস্খলনৰ ফলত বৰাক উপত্যকাৰ বিভিন্ন অঞ্চল, ত্ৰিপুৰা, মণিপুৰ আৰু মিজোৰামৰ সৈতেও পথ যোগাযোগ বিচ্ছিন্ন হৈ পৰিছে।

০০০০০

মিজোৰামত ধাৰাসাৰ বৰষুণৰ ফলত কালি হোৱা ভূমিস্খলনত কমেও দুটি শিশুসহ কমেও ২৮গৰাকী লোকৰ মৃত্যু হৈছে। আইজলৰ দক্ষিণ দিশৰ সীমামূৰীয়া মেলথুম অঞ্চলৰ এটা শিলৰ কুৱেৰিৰ বাহিৰত হোৱা এই ভূমিস্খলনৰ ফলত ১৩ জন লোকৰ মৃত্যু হয়। সন্ধানহীন হৈ থকা ৮জন লোকক এতিয়াও উদ্ধাৰ কৰিব পৰা হোৱা নাই। ইপিনে, আইজলৰ চালেমহেঙত ভূমিস্খলনৰ ফলত এটা ভৱন ভাগি পৰাত এগৰাকী সন্তান সম্ভৱা মহিলাকে ধৰি তিনিজন লোকৰ মৃত্যু হয়। আন এটা ঘটনাত মেলথুমৰ সমীপত ভূমিস্খলনত কেইবাটাও বাসগৃহ খহি যোৱাত ৪ জন লোকে প্ৰাণ হেৰুৱায়। একেদৰে ৰাজ্যখনৰ আন কেইবাটাও অঞ্চলত ভূমিস্খলনৰ ফলত ভালেসংখ্যক বাসগৃহৰ ক্ষতি হোৱাৰ লগতে মুঠ ২৮ জন লোকৰ মৃত্যু হৈছে।

ভূমিস্খলন হোৱা স্থানসমূহত বৰ্তমান উদ্ধাৰ অভিযান অব্যাহত আছে যদিও প্ৰতিকুল বতৰৰ বাবে উদ্ধাৰ কাৰ্যত সমস্যাৰ সৃষ্টি হৈছে। ইপিনে, বানত আৱদ্ধ হৈ পৰা চাইৰাং গাঁৱৰ প্ৰায় ৫০ টা পৰিয়ালক নিৰাপদ স্থানলৈ লৈ যোৱা হৈছে। মুখ্যমন্ত্ৰী লালডুহোমাই ভূমিস্খলনত নিহত লোককেইজনৰ পৰিয়াললৈ ৪ লাখ টকাকৈ এককালীন সাহায্য ঘোষণা কৰিছে। ইপিনে, ৰাজ্যখনৰ গৃহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী তথা মুখ্য সচিবৰ সৈতে হোৱা বৈঠকত মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্যখনত দুৰ্যোগৰ মোকাবিলা কৰাৰ বাবে ১৫ কোটি টকা ধাৰ্য কৰা হৈছে বুলি ঘোষণা কৰিছে। ৰাজ্যখনৰ শিক্ষানুষ্ঠানসমূহ বন্ধ হৈ আছে আৰু কেৱল অত্যাৱশ্যকীয় সামগ্ৰী সংগ্ৰহৰ বাবেহে জনসাধাৰণক বাহিৰলৈ ওলাবলৈ অনুমতি দিয়া হৈছে।

আনহাতে, হুন্থাৰ এলেকাৰ ৬ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত হোৱা ভূমিস্খলনৰ ফলত আইজলৰ সৈতে যোগাযোগ বিচ্ছিন্ন হৈ পৰিছে। মিজোৰামৰ সকলো শিক্ষানুষ্ঠান আৰু চৰকাৰী কাৰ্যালয় কালি প্ৰতিকূল বতৰৰ বাবে বন্ধ ৰখা হয়।

একেদৰে, মেঘালয়ৰ পূব জয়ন্তীয়া পাৰ্বত্য জিলাত কালি এখন দেৱাল খহি পৰাৰ ফলত এজন লোকে প্ৰাণ হেৰুৱায়। জিলাখনত ভূমিস্খলনৰ ঘটনাত অন্য চাৰিজন লোক আহত হয়। আহতসকলক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে।

নাগালেণ্ডত ৰীমাল ঘূৰ্ণী বতাহ আৰু বৰষুণৰ বাবে বিভিন্ন ঠাই ক্ষতিগ্ৰস্ত হোৱা বুলি জানিব পৰা গৈছে। ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ তথ্য অনুসৰি মোককচাঙৰ সমীপত চুচুয়িমলাং গাঁৱত ৯টা পৰিয়াল আৰু নক্লেন মহকুমাত ৩৬টা পৰিয়াল বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে। ইয়াৰ উপৰি ঝুনেব'ট' জিলাত এটা ঘৰ সম্পূৰ্ণ ৰূপে ধ্বংস হৈছে।

মণিপুৰতো ধাৰাসাৰ বৰষুণৰ ফলত ভালেমান অংশ ক্ষতিগ্ৰস্ত হৈছে আৰু ৰাজ্যখনৰ মাজেৰে বৈ যোৱা বহুতো নৈ বিপদসীমাৰ ওপৰেদি বৈ আছে। ধাৰাসাৰ বৰষুণৰ ফলত হোৱা ভূমিস্খলনৰ কাৰণে ৰাজ্যখনৰ বহু অংশত যোগাযোগ ব্যাহত হৈছে। ইম্ফল-জিৰিবাম পথৰ ইৰাং নৈৰ ওপৰত ন'নে জিলাত নিৰ্মাণ কৰা বেইলী দলংখন খহি পৰিছে।

০০০০০

উচ্চতম ন্যায়ালয়ে আজি দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালৰ অন্তৰৱৰ্তীকালীন জামিনৰ ম্যাদ আৰু এসপ্তাহ বৃদ্ধিৰ বাবে জনোৱা আবেদন নাকচ কৰে। অহা ২ জুনত তেওঁ পুনৰ তিহাৰ কাৰাগাৰলৈ যাব লাগিব। উল্লেখযোগ্য যে দিল্লীৰ মুখ্যমন্ত্ৰীগৰাকীয়ে যোৱা ১০ মে'ত ন্যায়াধীশ সঞ্জীৱ খান্না আৰু দিপাংকৰ দত্তৰ পৰা

অন্তৰ্বৰ্তীকালীন জামিন লাভ কৰিছিল আৰু ২ জুনত তেওঁক তিহাৰ কাৰাগাৰত আত্মসমৰ্পণ কৰিবলৈ কোৱা হৈছিল। কেজৰিৱালৰ আবেদন নাকচ কৰি উচ্চতম ন্যায়ালয়ে কৈছে যে, গ্ৰেপ্তাৰৰ প্ৰত্যাহ্বান জনাই দাখিল কৰা আবেদন সন্দৰ্ভত ন্যায়ালয়ৰ ৰায় সংৰক্ষিত হৈ থকা হেতুকে অন্তৰ্বৰ্তীকালীন জামিন বৃদ্ধিৰ বাবে কেজৰিৱালৰ আবেদনৰ মূল আবেদনৰ সৈতে কোনো ধৰণৰ সম্পৰ্ক নাই।

ooooo

অহা ২২ জুনৰ পৰা শক্তিপীঠ কামাখ্যাত অম্বুবাচী মেলা অনুষ্ঠিত হ'ব। অম্বুবাচীৰ সময়ছোৱাত প্ৰতিবছৰে নীলাচল পাহাৰৰ বুকুত অৱস্থিত কামাখ্যা মন্দিৰত দেশ-বিদেশৰ লাখ লাখ ভক্তৰ সমাগম হয়। এইবাৰো এই মেলা সুচাৰুৰূপে পৰিচালনা কৰিবলৈ ইতিমধ্যে কামাখ্যা দেৱালয় অম্বুবাচী মেলা পৰিচালনা সমিতি গঠন কৰা হৈছে। কামাখ্যা মন্দিৰৰ সৰু দলৈ হিমাদ্ৰী শৰ্মাই আকাশবাণীৰ সংবাদদাতাৰ আগত জনোৱা অনুসৰি ২২ জুনৰ পুৱা ৮ বাজি ৪৩ মিনিট ৩৯ ছেকেণ্ডত অম্বুবাচীৰ প্ৰবৃত্তি হ'ব। ইয়াৰ লগে লগে কামাখ্যা মন্দিৰৰ দুৱাৰ বন্ধ কৰা হ'ব। অহা ২৬ জুনত অম্বুবাচীৰ নিবৃত্তি হোৱাৰ পাছতেই দেৱীক স্নান কৰোৱাৰ পিছত ভক্তৰ বাবে মন্দিৰৰ দুৱাৰ মুকলি কৰি দিয়া হ'ব।

ooooo

লোকসভা নিৰ্বাচনৰ সপ্তম পৰ্যায়ৰ নিৰ্বাচনী প্ৰচাৰৰ কাইলৈ অন্তিম দিন। কাইলৈ সন্ধিয়া ৫ বজাত নিৰ্বাচনী প্ৰচাৰৰ অন্ত পৰিব। দেশৰ ৭খন ৰাজ্য আৰু এখন কেন্দ্ৰীয়শাসিত অঞ্চলৰ ৫৭ টা সমষ্টিত ১ জুনত ভোটগ্ৰহণ হ'ব। অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণ হ'বলগীয়া উত্তৰ প্ৰদেশৰ বাৰাণসী সমষ্টিৰ পৰা বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। আনহাতে কাইলৈ নিৰ্বাচনী প্ৰচাৰৰ অন্ত পৰাৰ পূৰ্বে শাসক-বিৰোধী উভয় দলৰ ৰাজনৈতিক নেতাসকলে ১ জুনত ভোটগ্ৰহণ হ'বলগীয়া ৰাজ্যকেইখনত প্ৰচাৰ অব্যাহত ৰাখিছে। বিজেপিৰ জ্যেষ্ঠ নেতাগৰাকীয়ে পশ্চিমবংগৰ মথুৰাপুৰত অনুষ্ঠিত এখন নিৰ্বাচনী প্ৰচাৰ সভাত ভাগ লৈ কয় যে, এতিয়া বিশ্বই ভাৰতক সন্মানৰ চকুৰে চায়। ভাৰত বৰ্তমান বিশ্বৰ পঞ্চম অৰ্থনীতিৰ দেশ আৰু ভাৰত শীঘ্ৰে তৃতীয় অৰ্থনীতি দেশ হিচাপে চিহ্নিত হোৱাৰ পথত আগবাঢ়িছে বুলি শ্ৰীমোদীয়ে উল্লেখ কৰে।

আনহাতে বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিঙে বিহাৰৰ কাৰাকাট সংসদীয় সমষ্টিৰ বিক্ৰমগঞ্জত এখন নিৰ্বাচনী প্ৰচাৰ সভাত ভাগ লৈ বিৰোধী দল কংগ্ৰেছৰ সমালোচনা কৰি কয় যে, অহা ১০ বছৰত কংগ্ৰেছ দলটো নোহোৱা হৈ যাব। কংগ্ৰেছে দেশত প্ৰায় ৭২ বছৰ শাসন কৰিও ভাৰতক এখন উন্নত দেশ হিচাপে গঢ়ি তুলিব নোৱাৰিলে। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই ঝাৰখণ্ডৰ ডুংকা সমষ্টিৰ সৰথত এখন জনসভাত ভাগ লৈ এন ডি এ সমৰ্থিত প্ৰাৰ্থীগৰাকীৰ হৈ প্ৰচাৰ চলোৱাৰ লগতে আই এন ডি আই মিত্ৰজোঁটক কঠোৰ সমালোচনা কৰে।

ইপিনে কংগ্ৰেছৰ জ্যেষ্ঠ নেতা ৰাহুল গান্ধীয়ে পঞ্জাবৰ লুধিয়ানাত এখন নিৰ্বাচনী সভাত ভাগ লৈ ৰাজ্যখনত মাদক দ্ৰব্যৰ অবাধ প্ৰচলনে সমস্যা সৃষ্টি কৰাৰ কথা উল্লেখ কৰে।

ooooo

অহা ৪ জুনত দেশৰ অন্যান্য ৰাজ্যৰ লগতে অসমৰ ১৪টা সমষ্টিৰ বাবে হ'বলগীয়া লোকসভা নিৰ্বাচনৰ ভোটগণনাৰ বাবে জিলা প্ৰশাসনসমূহে ব্যাপক প্ৰস্তুতি অব্যাহত ৰাখিছে। বিভিন্ন জিলাত ভোটগণনা কাৰ্যৰ বাবে নিয়োজিত হ'বলগীয়া বিষয়াসকলৰ প্ৰশিক্ষণ সম্পন্ন হৈছে।

মাজুলী জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত আজি আয়ুক্ত ড° কাবেৰী বি শৰ্মাৰ অধ্যক্ষতাত তথা শীৰ্ষ প্ৰশাসনীয় বিষয়াৰ উপস্থিতিত ভোটগণনাত অংশ ল'বলগীয়া ৩৬ গৰাকী গণনা তত্বাৱধায়ক আৰু সহকাৰী গাণনিকৰ প্ৰশিক্ষণ অনুষ্ঠিত হয়। এই কাৰ্যসূচীত জিলা আয়ুক্তই সকলোকে নিজৰ দায়িত্ব নিয়াৰিকৈ পালন কৰি যাবলৈ নিৰ্দেশ দিয়ে।

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ হাটশিঙিমাৰীত ৬০ গৰাকী ভোটগণনাকাৰী বিষয়াক জিলা প্ৰশাসনৰ তৰফৰ পৰা দ্বিতীয় পৰ্যায়ৰ প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰা হৈছে। অহা ৪ জুনত পুৱা ৮ বজাৰ পৰা ১৪ খন গণনা টেবলৰ জৰিয়তে ভোটগণনা কৰা হ'ব।

লখিমপুৰ লোকসভা সমষ্টিৰ অন্তৰ্গত শদিয়া বিধানসভা সমষ্টিত ভোটগণনাৰ বাবে নিয়োজিত ৮৬ গৰাকী বিষয়া-কৰ্মচাৰীক আজি ভোট গণনাৰ প্ৰশিক্ষণ দিয়া হয়। প্ৰশিক্ষণ কালত অতিৰিক্ত জিলা আয়ুক্তই বিষয়া-কৰ্মচাৰীসকলক ভোটগণনাৰ বিভিন্ন দিশ সম্পৰ্কে বিতংভাৱে ব্যাখ্যা কৰে।

ইফালে, ৰাজ্যিক নিৰ্বাচন আয়োগেও ৪ জুনৰ ভোটগণনাৰ বাবে নিৰাপত্তা ব্যৱস্থাকে ধৰি সকলো প্ৰস্তুতি গ্ৰহণ কৰাৰ বাবে সংশ্লিষ্টসকলক নিৰ্দেশ দিছে। ৰাজ্যখনৰ ১৪টা সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰা ১৪৩ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য বন্দী হৈ থকা ইভিএমসমূহ ৫০টা ষ্ট্ৰং ৰুমত কটকটীয়া নিৰাপত্তাৰ মাজত ৰখা হৈছে। ষ্ট্ৰং ৰুমসমূহত তিনিতৰপীয়া নিৰাপত্তা ব্যৱস্থা কৰাৰ লগতে ইয়াৰ প্ৰৱেশ আৰু প্ৰস্থান দ্বাৰ চিচি কেমেৰাৰ দ্বাৰা অহৰহ নিৰীক্ষণত ৰখা হৈছে। উল্লেখযোগ্য যে, তৃতীয় পৰ্যায়ৰ নিৰ্বাচনত গুৱাহাটী, বৰপেটা, ধুবুৰী আৰু কোকৰাঝাৰ সমষ্টিত ছগৰাকী মহিলা প্ৰাৰ্থীকে ধৰি মুঠ ৪৭ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিল। প্ৰথম পৰ্যায়ত ৰাজ্যখনৰ ৫টা সমষ্টি কাজিৰঙা, শোণিতপুৰ, লখিমপুৰ, ডিব্ৰুগড় আৰু যোৰহাট সমষ্টিত মুঠ ৩৫ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিল। আনহাতে দ্বিতীয় পৰ্যায়ত ৫টা সমষ্টি দৰং-ওদালগুৰি, ডিফু, কৰিমগঞ্জ, শিলচৰ আৰু নগাঁৱত ৬১ গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে।

ooooo

মৰিগাঁও জিলা আয়ুক্তই ৩১ মে'ৰ দিনটো জিলাখনত ধপাতমুক্ত দিন হিচাপে ঘোষণা কৰিছে। মৰিগাঁও জিলা আয়ুক্তৰ সভাকক্ষত আয়ুক্তগৰাকীৰ অধ্যক্ষতাত অনুষ্ঠিত এখন বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। ধপাতমুক্ত ঘোষিত দিনটোত জিলাখনত কোনো ব্যৱসায়ীয়ে ধপাতযুক্ত সামগ্ৰী বিক্ৰী কৰিব নোৱাৰিব। লগতে প্ৰতিটো চৰকাৰী কাৰ্যালয় ধপাতমুক্ত হিচাপে ঘোষণা কৰি, কাৰ্যালয়ত নিয়ম উলংঘা কৰা সকলক জৰিমনা বিহিবলৈ মুৰব্বী, বিষয়াসকলক আয়ুক্তগৰাকীয়ে নিৰ্দেশ দিছে। জিলা আয়ুক্তগৰাকীয়ে অহা তিনিমাহৰ ভিতৰত মৰিগাঁও জিলাত যিকোনো ধপাতযুক্ত সামগ্ৰীৰ ব্যৱহাৰ নিষিদ্ধ কৰা আইন বলৱৎ কৰা সন্দৰ্ভতো জিলা প্ৰশাসনৰ অন্যান্য মুৰব্বীসকলৰ সৈতে আলোচনা কৰে।

ooooo

যোৰহাট জিলাত শেহতীয়াকৈ বৃদ্ধি পোৱা বিভিন্ন অপৰাধজনিত ঘটনাৰ পৰিপ্ৰেক্ষিতত জিলাখনৰ আৰক্ষী বিভাগটোৱে আজি এখন পৰ্যালোচনা বৈঠকত ভাগ লয়। বৈঠকত যোৰহাট জিলা আৰক্ষী অধীক্ষকে বিভাগটোৰ প্ৰতিগৰাকী আৰক্ষীকে অপৰাধ নিৰ্মূলৰ ক্ষেত্ৰত আগবঢ়াই অহা সেৱাৰ বাবে প্ৰশংসা কৰাৰ লগতে ভৱিষ্যতেও এনেধৰণে আগবাঢ়ি যাবলৈ অনুপ্ৰাণিত কৰে।

ooooo

অসম আৰক্ষীৰ সঞ্চালক প্ৰধান জি পি সিঙক সামাজিক মাধ্যমযোগে ভাবুকি দিয়া এজন যুৱকক অসম আৰক্ষীৰ অপৰাধ শাখাই গ্ৰেপ্তাৰ কৰিছে। যোৱা নিশা কোকৰাঝাৰৰ পৰা গ্ৰেপ্তাৰ কৰা যুৱকজনৰ নাম

বিবেকানন্দ টাইড। যুৱকজনে কি পৰিস্থিতিত অসম আৰক্ষীৰ মুৰববীগৰাকীক ভাবুকি দিছিল এই সন্দৰ্ভত আৰক্ষীয়ে জেৰা চলাই আছে।

ooooo

আকাশবাণী গুৱাহাটী আঞ্চলিক বাতৰি বিভাগে অহা ৪ জুনত লোকসভা নিৰ্বাচনৰ ভোটগণনাৰ দিনা **জনাদেশ-২০২৪** শীৰ্ষক দিনজোৰা অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত কেইবাগৰাকীও বিশ্লেষক আৰু সমল ব্যক্তিৰ উপস্থিতত ভোটগণনাৰ শেহতীয়া তথ্য সম্পৰ্কে আলোচনা কৰাৰ লগতে দেশ আৰু ৰাজ্যৰ বিভিন্ন সমষ্টিৰ পৰা আকাশবাণীৰ সংবাদদাতাৰ সৈতে সংযোগ স্থাপন কৰি পোনপটীয়াকৈ ভোটগণনাৰ শেহতীয়া তথ্য প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানটো পুৱা ৯ বাজি ১৫ মিনিটৰ পৰা অব্যাহত থাকিব। এই অনুষ্ঠানটো NEWS ON AIR এপ, আমাৰ ইউটিউব চেনেল AIR NEWS GUWAHATI আৰু X হেণ্ডেল @AIRNEWS_GHY যোগে পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব।

ooooo

ভাৰতীয় তাৰকা শ্বাটলাৰ পি ভি সিন্ধুৱে ছিংগাপুৰ অপেন বি ডব্লিউ এফ ছুপাৰ-৭৫০ বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছ্ শাখাত দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে। সিন্ধুৱে প্ৰথম ৰাউণ্ডৰ খেলত আজি বিশ্বৰ ২১ নম্বৰ বাছনিৰ খেলুৱৈ ডেনমাৰ্কৰ লীনা খেইজফেল্ডক ২১-১২, ২২-২০ৰ পোনপটীয়া গেমত পৰাস্ত কৰে।

ooooo

সমাপ্ত